# বিশ্ব সন্ত্ৰাসবাদ (Global Terrorism)

বৰ্তমান বিশ্বৰ এটা প্ৰধান সমস্যা হ'ল সন্ত্ৰাসবাদ। আগতে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ কোনো এখন ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰতে আবদ্ধ আছিল যদিও বৰ্তমান ইয়াৰ কাৰ্যকলাপ বিশ্ব বিয়পি হৈছে। কোনো এটা সন্ত্ৰাসবাদী সংগঠনে বিশ্বৰ বিভিন্ন ঠাইত সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰি ৰাষ্ট্ৰবিলাকৰ নিৰাপত্তা অনিশ্চিত কৰি তুলিছে। বৰ্তমান সময়ৰ সন্ত্ৰাসবাদীৰ কাৰ্যৰ এটা উল্লেখযোগ্য দিশ হ'ল যে সন্ত্ৰাসবাদীয়ে তেওঁলোকৰ সন্ত্ৰাসমূলক কাৰ্য কেৱল চৰকাৰৰ বিৰুদ্ধে সংঘটিত নকৰে। চৰকাৰৰ উপৰি নিৰীহ লোকো ইয়াৰ আক্ৰমণৰ লক্ষ্যৰ পৰা বঞ্চিত নহয়। সাধাৰণতে জনসাধাৰণৰ মাজত ভীতি প্ৰদৰ্শন কৰিবৰ কাৰণেই সন্ত্ৰাসবাদীয়ে নিৰপৰাধী লোককো তেওঁলোকৰ লক্ষ্য কৰি লয়। সন্ত্ৰাসবাদীৰ কাৰ্যৰ কাৰণে জনসাধাৰণৰ লগতে চৰকাৰৰ ৰাজহুৱা সম্পত্তিৰো বিস্তৰ ক্ষতিসাধন হয়।

**সন্ত্ৰাসবাদৰ সংজ্ঞা (Definition of Terrorism) ঃ** সন্ত্ৰাসবাদ সম্পৰ্কে এটা নিৰ্দিষ্ট সংজ্ঞা দিয়াৰ অসুবিধা আছে। যেতিয়া কোনো এটা সংগঠনে এক ৰাজনৈতিক উদ্দেশ্য লৈ চৰকাৰৰ বিৰোধিতা কৰে বা নিজে চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ শক্তি প্ৰয়োগ কৰি সন্ত্ৰাসমূলক কাৰ্যত জড়িত হৈ পৰে তেনে কাৰ্যক সন্ত্ৰাসবাদ বুলি অভিহিত কৰিব পাৰি। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ লগত দেশৰ অধিকাংশ লোকৰ সমৰ্থন নাথাকে। সমাজৰ মুষ্টিমেয় লোকেহে এনে কাৰ্যত জড়িত থাকে। (According to Jenkins, "The threat of violence, individual acts of violence or campaign of violence designed primarily to instil fear of terrorism.")

সন্ত্ৰাসবাদীয়ে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰাৰ লগতে জনসাধাৰণকো হিংসাত্মক কাৰ্যৰ দ্বাৰা ভীতিগ্ৰস্ত কৰি তোলে যাতে জনসাধাৰণে তেওঁলোকৰ দাবীৰ প্ৰতি সঁহাৰি জনায়। সন্ত্ৰাসবাদীয়ে চৰকাৰক অস্থিৰ কৰি তুলিবলৈ দেশৰ অ'ত-ত'ত কূটাঘাতমূলক কাৰ্যত লিপ্ত হয়। দেশৰ সেনাবাহিনী বা পুলিচ বাহিনীৰ লগত মুখামুখি সংঘৰ্ষত লিপ্ত নহৈ চোৰাং বা আকস্মিকভাৱে সেনাবাহিনীৰ ওপৰত আক্ৰমণ কৰি নাইবা কূটাঘাতমূলক কাৰ্যৰ দ্বাৰা চৰকাৰী সা-সম্পত্তিৰ ব্যাপক ক্ষতিসাধন কৰে। সংগঠনবিলাকৰ উদ্দেশ্য অনুসৰি ইয়াৰ কাৰ্যকলাপ নিজ দেশৰ বাহিৰেও আন দেশতো সংঘটিত কৰিব পাৰে।

Scanned with CamScanner

সন্ত্ৰাসবাদী কাৰ্যকলাপ দুই প্ৰকাৰে সংঘটিত হ'ব পাৰে। এনে কাৰ্যকলাপ চৰকাৰৰ দ্বাৰা বা কোনো সংগঠনে ব্যক্তিগতভাৱেও সংঘটিত কৰিব পাৰে। চৰকাৰে ইয়াৰ সামৰিক বাহিনী বা পুলিচ বাহিনী লোকৰ দ্বাৰা নিৰীহ লোকৰ ওপৰত লাঠী চালনা, অপ্ৰৰোচিতভাৱে গুলী চালনা কৰি তেওঁলোকক ভীতিগ্ৰস্ত কৰিব পাৰে। অৱশ্যে চৰকাৰী সন্ত্ৰাসবাদ আৰু সংগঠনৰ সন্ত্ৰাসবাদী কাৰ্যৰ মাজত পাৰ্থক্য আছে। চৰকাৰী সন্ত্ৰাসবাদী কাৰ্যকলাপ খন্তেকীয়া; ই দীৰ্ঘস্থায়ী নহয়। কোনো এটা বিশেষ উদ্দেশ্য সাধনৰ পিছত চৰকাৰে এনে সন্ত্ৰাসবাদী কাৰ্যক প্ৰশ্ৰয় নিদিব পাৰে। উদাহৰণস্বৰূপে, এটা সময়ত আলফাৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে চৰকাৰে সেই সংগঠনটোৰ পৰা আত্মসমৰ্পণ কৰা কিছুমান সদস্যক উৎসাহিত কৰিছিল বুলি অভিযোগ শুনা যায়। সেইদৰে ১৯১৯ চনত পঞ্জাৱৰ জালিয়ানৱালাবাগত নিৰীহ লোকৰ ওপৰত পুলিচ গুলী বৰ্ষণৰ ফলত যি হত্যাকাণ্ড হৈছিল, সেই সন্ত্ৰাসবাদী কাৰ্যকলাপক ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বুলি অভিহিত কৰিব পাৰি। সকলো সন্ত্ৰাসবাদী গোটৰ উদ্দেশ্য একে নহ'ব পাৰে। বিভিন্ন উদ্দেশ্য লৈ সন্ত্ৰাসবাদী গোট গঠন হ'ব পাৰে। উদাহৰণস্বৰূপে, এটা সময়ত ছোভিয়েট ৰাছিয়াৰ বুৰ্জোৱা একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ কাৰণে 'ৰেড আৰ্মি' (Red Army) গঠন হৈছিল। সংগঠনটোৱে নিজৰ উদ্দেশ্য সাধনৰ ক্ষেত্ৰত সফলতা লাভ কৰিছিল। কিছুমান ঠাইত জাত-পাতৰ প্ৰভাৱ বৃদ্ধিৰ কাৰণে সন্ত্ৰাসবাদী সংগঠন গঠন হ'ব পাৰে। দেশ স্বাধীন কৰিবৰ কাৰণেও সন্ত্ৰাসবাদী সংগঠন গঠিত হ'ব পাৰে। ভাৰতৰ স্বাধীনতা যুদ্ধৰ সময়ত কংগ্ৰেছৰ এটা অংশই বৃটিছ চৰকাৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ দেশ স্বাধীন কৰাৰ চেষ্টা কৰিছিল। নিজ দেশৰ পৰা ফালৰি কাটি আহি পৃথক ৰাষ্ট্ৰ গঠন কৰিবৰ কাৰণেও বিচ্ছিন্নবাদী সন্ত্ৰাসবাদী সংগঠন গঠিত হ'ব পাৰে। শ্ৰীলংকাৰ এল টি টি ই নামৰ সংগঠনটো তামিল অধ্যুষিত এলেকাক লৈ এখন পৃথক ৰাষ্ট্ৰ গঠন কৰিবৰ কাৰণে যোৱা বহু বছৰ ধৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ আছে। কিছুমান দেশত মৌলবাদী সন্ত্ৰাসবাদী সংগঠনৰ জন্ম হৈছে। ক্ষমতা আহৰণৰ কাৰণেও কিছুমান দেশত সন্ত্ৰাসবাদী সংগঠনে নিজ কাৰ্যকলাপ অব্যাহত ৰাখিছে। কিছুমান দেশত জনজাতিলোকেও আত্ম প্ৰতিষ্ঠাৰ কাৰণে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ পৰিছে। কিছুমান অঞ্চলত নিষিদ্ধ সামগ্ৰীৰ চোৰাং ব্যৱসায় কৰিবৰ কাৰণেও সন্ত্ৰাসবাদী সংগঠন গঠিত হৈছে। এইদৰে বিভিন্ন কাৰণ লৈ সন্ত্ৰাসবাদী সংগঠনৰ জন্ম হ'ব পাৰে।

কিছুমান সন্ত্ৰাসবাদী সংগঠনে নিজ কাৰ্যকলাপ ৰাষ্ট্ৰখনৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ ৰাখে আৰু আন কিছুমান সংগঠনৰ কাৰ্যকলাপ বিশ্ব বিয়পি থাকিব পাৰে। অৱশ্যে ঘৰুৱা সন্ত্ৰাসবাদীয়ে নিজ দেশত থাকি সন্ত্ৰাসবাদী পৰিচালনা কৰাটো নিৰাপদ বুলি বিবেচনা নকৰিলে আন দেশত অৰ্থাৎ ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰত অবৈধভাৱে বা সেইদেশৰ চৰকাৰৰ লগত বুজাবুজি হৈ তাত ঘাটি পাতি নিজ দেশৰ চৰকাৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হ'ব পাৰে। উদাহৰণস্বৰূপে, ভাৰতৰ কিছুমান উগ্ৰপন্থী সংগঠনে ইয়াৰ ওচৰ-চুবুৰীয়া বাংলাদেশ, ভূটান, নেপাল, ম্যানমাৰ, পাকিস্তান আদি দেশত ঘাটি স্থাপন কৰি ভাৰতবিৰোধী কাৰ্যত লিপ্ত হৈ আছে।

আন এবিধ সন্ত্ৰাসবাদ হৈছে সীমান্ত সীপাৰৰ সন্ত্ৰাসবাদ (Cross Border Terrorism)।

Scanned with CamScanner

এইবিধ সন্ত্ৰাসবাদীয়ে আন এখন দেশৰ পৰা সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়। সাধাৰণতে এনে সন্ত্ৰাসবাদী সংগঠনৰ ক্ষেত্ৰত তেওঁলোকে যিখন দেশত থাকি সন্ত্ৰাসবাদী কাৰ্যত জড়িত হয় সেইখন দেশৰ চৰকাৰৰ লগত সম্পৰ্ক থাকে। উদাহৰণস্বৰূপে, ভাৰতৰ কাশ্মীৰত যোৱা কেইবা দশকজুৰি সন্ত্ৰাসবাদীৰ যি কাৰ্য সংঘটিত হৈ আছে, সেই সন্ত্ৰাসবাদী কাৰ্যকলাপ পাকিস্তান চৰকাৰৰ পৃষ্ঠপোষকতাত সেই দেশত থকা অলকায়দা আদি সংগঠনৰ দ্বাৰা সংঘটিত হৈ আছে। বৰ্তমান সময়ত কিছুমান দেশত সন্ত্ৰাসবাদীক আশ্ৰয় দিয়াৰ প্ৰৱণতা বৃদ্ধি পোৱা দেখা গৈছে। বিশেষকৈ কিছুমান দেশে সন্ত্ৰাসবাদক কূটনীতি আৰু শত্ৰুতা প্ৰতিশোধৰ এক বিকল্প ব্যৱস্থা হিচাপে গ্ৰহণ কৰিছে।

সীমান্ত সিপাৰৰ সন্ত্ৰাসবাদ এক অদৃশ্য যুদ্ধস্বৰূপ। এনে যুদ্ধৰ দ্বাৰা কম খৰচত কোনো দেশে বিদেশত কোনো এটা সমস্যাক জীয়াই ৰাখি নিজ শত্ৰুতাৰ প্ৰতিশোধ কম-বেছি পৰিমাণে ল’ব পাৰে।

**সন্ত্ৰাসবাদীৰ কৌশল (Techniques of Terrorists) ঃ** সন্ত্ৰাসবাদীয়ে চৰকাৰক অস্থিৰ আৰু জনসাধাৰণক ভীতিগ্ৰস্ত কৰি তুলিবলৈ বহুতো কৌশল অৱলম্বন কৰা দেখা যায়। তেওঁলোকে চৰকাৰী বিষয়া, কৰ্মচাৰী, ৰাজনৈতিক দলৰ নেতা, বিশিষ্ট সমাজসেৱী, গাঁৱৰ নেতা, মুখিয়াল লোকক অপহৰণ কৰি নি পিছত হত্যা কৰিব পাৰে, গাঁওবিলাকত অগ্নি সংযোগ কৰিব পাৰে, চৰকাৰী ব্যৱসায়-প্ৰতিষ্ঠান, উদ্যোগ, কল-কাৰখানা আদিত বোমা বিস্ফোৰণ ঘটাব পাৰে, কোনো লোকক অপহৰণ কৰি নি ধন দাবী কৰিব পাৰে, বেংক ডকাইতি কৰিব পাৰে, জনবহুল এলেকাত বোমা বিস্ফোৰণ কৰি জনসাধাৰণক ভীতিগ্ৰস্ত কৰিব পাৰে। বিজুলী সংযোগ বিচ্ছিন্ন কৰিব পাৰে, বিমানেৰে আন দেশৰ উদ্যোগপ্ৰধান এলেকাত বোমা বিস্ফোৰণ কৰি ধ্বংস কৰিব পাৰে, লেণ্ড মাইনৰ বিস্ফোৰণ ঘটাই পুলিচ, সামৰিক বাহিনীৰ যান-বাহন ধ্বংস আৰু ইয়াৰ আৰোহীৰ মৃত্যু ঘটাব পাৰে, মঠ-মন্দিৰ, মছজিদ, গীৰ্জা আদিত প্ৰাৰ্থনা কৰি থকা লোকক অপ্ৰৰোচিতভাৱে নিৰ্বিচাৰে গুলীবৰ্ষণ কৰিব পাৰে। গাড়ী, চিনেমা ঘৰ, ৰাজহুৱা ভৱন আদিত বোমা থৈ ইয়াৰ ক্ষতিসাধন কৰাৰ লগতে শ শ লোকৰ মৃত্যু ঘটাব পাৰে। ৰে’লত অগ্নি সংযোগ বা কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিব পাৰে, তেলবাহী পাইপ লাইনত বিস্ফোৰণ ঘটাব পাৰে, বিমান অপহৰণ কৰি নি চৰকাৰৰ ওচৰত নিজ দাবী পূৰণৰ কাৰণে চেষ্টা কৰিব পাৰে, আত্মঘাতী কাৰ্যৰ দ্বাৰা নিজৰ লগতে আনৰো মৃত্যু ঘটাব পাৰে। বিদেশী লোক থকা ক্লাব, হোটেল আদিত বোমা বিস্ফোৰণ ঘটাব পাৰে, চৰকাৰৰ বিভিন্ন প্ৰচাৰ মাধ্যমবিলাকত আঘাত হানি সেইবিলাকৰ ক্ষতিসাধন কৰিব পাৰে, সংসদ ভৱন, বিধানসভা ভৱন, অনাতাঁৰ প্ৰচাৰ কেন্দ্ৰ আদিত আক্ৰমণ কৰিব পাৰে, চৰকাৰে ৰাজহুৱা যিবিলাক সভা আদি অনুষ্ঠিত কৰে সেইবিলাকত বোমা বিস্ফোৰণ কৰিব পাৰে, কোনো এলেকা বন্ধৰ আহ্বান দিব পাৰে, বিশিষ্ট ব্যৱসায়ী, ধনী লোক, বিভিন্ন শিল্প প্ৰতিষ্ঠান, উদ্যোগপতিৰ পৰা অধিক হাৰত ধন দাবী কৰি সেই ধন নিৰ্দিষ্ট সময়ৰ ভিতৰত দিবলৈ দাবী কৰিব পাৰে। এইদৰে সন্ত্ৰাসবাদীয়ে বিভিন্ন কৌশল অৱলম্বন কৰি নিজ উদ্দেশ্য সাধনৰ চেষ্টা কৰিব পাৰে।

**সন্ত্ৰাসবাদৰ কাৰণ (Causes of Terrorism) ঃ** বিশ্ব সন্ত্ৰাসবাদ সংঘটিত হোৱাৰ

Scanned with CamScanner

বহুতো কাৰণ আছে আৰু সেই কাৰণবিলাক তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি।

(১) বিশ্বৰ বহুতো দেশত যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা আছে। বিশ্বৰ বিভিন্ন দেশত এনে শাসন ব্যৱস্থা থাকিলেও বহুতো যুক্তৰাষ্ট্ৰীয় শাসনত অংগৰাজ্যবিলাকে কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমানে ক্ষমতাৰ অংশীদাৰ হোৱাৰ সুবিধা নাপায়। অংগৰাজ্যবিলাকতকৈ কেন্দ্ৰীয় চৰকাৰ অধিক শক্তিশালী হোৱাৰ লগতে আৰ্থিক বিষয়কে ধৰি অন্যান্য বিষয়ত বহুতো সুবিধা লাভ কৰে। এনে পৰিস্থিতিত অংগৰাজ্যবিলাকৰ একাংশ লোকে ৰাজ্যিক চৰকাৰৰ অধিক ক্ষমতা আৰু সা-সুবিধা দাবী কৰি নিজ সংগঠনৰ দ্বাৰা চৰকাৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত হয়।

(২) আন কিছুমান সন্ত্ৰাসবাদীয়ে পৃথক বা স্বাধীন ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰিও বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়। এই ক্ষেত্ৰত তেওঁলোকে নিজ সন্ত্ৰাসবাদী কাৰ্যকলাপ অধিক ব্যাপক কৰি তুলিবৰ কাৰণে আন দেশৰ সন্ত্ৰাসবাদীৰ লগত যোগাযোগ ৰক্ষা কৰে। অস্ত্ৰ-শস্ত্ৰৰ চোৰাং সৰবৰাহৰ কাৰণেও বিভিন্ন উগ্ৰপন্থী সংগঠনৰ লগত যোগাযোগ ৰক্ষা কৰে।

(৩) কিছুমান উন্নত দেশে অনুন্নত দেশবিলাকৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত শোষণ আৰু অমানৱীয় আচৰণ কৰাৰ ফলতো একাংশ লোক সেই দেশৰ চৰকাৰৰ প্ৰতি বিদ্ৰোহী হৈ শাসনত অধিষ্ঠিত চৰকাৰক ব্যতিব্যস্ত কৰি তুলিবৰ কাৰণে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়।

(৪) এটা সময়ত ঔপনিৱেশিকতাৰ বিৰুদ্ধাচৰণ কৰিও একাংশ লোকে বিদ্ৰোহী সংগঠন গঠন কৰি নিজ দেশত ঔপনিৱেশিক শাসনৰ অন্ত পেলাবলৈ চৰকাৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়। উদাহৰণস্বৰূপে, ভাৰতৰ প্ৰাক্-স্বাধীনতা কালত কংগ্ৰেছ দলৰে একাংশ কংগ্ৰেছী লোকে দেশৰ স্বাধীনতাৰ কাৰণে ইংৰাজ চৰকাৰৰ লগত আলোচনা কৰাতকৈ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ দ্বাৰাহে দেশ স্বাধীনতাৰ দাবী কৰিছিল।

(৫) ধৰ্মৰ গোড়ামীৰ কাৰণেও কিছুমান সংগঠনে সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত হয়। কিছুমান সংগঠনে দেশৰ প্ৰশাসনত, ৰাজনীতিত ধৰ্মীয় নীতিৰ পোষকতা কৰি সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ পৰে। বিশেষকৈ এছিয়া আৰু আফ্ৰিকাৰ বহুতো ইছলাম ধৰ্মাৱলম্বী লোকৰ সংগঠনে নিজ নিজ দেশত ধৰ্মীয় শাসনৰ পোষকতা কৰি সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হৈ পৰিছে।

(৬) জনজাতি তথা ভূমিপুত্ৰসকলৰ দাবী চৰকাৰে আওকাণ কৰাৰ ফলতো সন্ত্ৰাসবাদী সংগঠনে গা কৰি উঠিছে। আগৰ তুলনাত বিশ্বৰ প্ৰায়বিলাক দেশতে বসবাস কৰা জনজাতিসকল শিক্ষিত আৰু ৰাজনৈতিকভাৱে সচেতন হোৱাৰ কাৰণে তেওঁলোকে চৰকাৰৰ কি কি ক্ষেত্ৰত বঞ্চিত আৰু শোষিত হৈ আহিছে সেই কথা ভালদৰে উপলব্ধি কৰিবলৈ সক্ষম হোৱা কাৰণে সন্ত্ৰাসবাদৰ বিকাশ হৈছে। তেওঁলোকে বহু বছৰ ধৰি চৰকাৰৰ ওচৰত নিজৰ দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰে সেই বিষয়ে মনোযোগ নিদিয়াত সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হ'বলৈ বাধ্য হৈছে।

(৭) বিভিন্ন কাৰণত গা কৰি উঠা নিবনুৱা সমস্যাও সন্ত্ৰাসবাদ বিকাশত ইন্ধন যোগাইছে।

Scanned with CamScanner

চৰকাৰে নিজ নিজ দেশৰ বৰ্দ্ধিত শিক্ষিত, অৰ্ধশিক্ষিত নিবনুৱাসকলক কৰ্মসংস্থাপন দিব নোৱৰাৰ কাৰণে বহুতো দেশৰ নিবনুৱাৰ একাংশই সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ পৰিছে।

(৮) বৰ্ণ বৈষম্যতাও বিশ্ব সন্ত্ৰাসবাদৰ আন এটা কাৰণ। ভগৱানে সমাজৰ সকলো লোকক সমান বুলি বিবেচনা কৰিলেও বিভিন্ন দেশৰ একাংশ লোকে কৃষ্ণাংগ আৰু শ্বেতাংগ লোকৰ মাজত বৈষম্য ৰাখে। বিশেষকৈ শ্বেতাংগ শ্ৰেণীৰ লোকে কৃষ্ণাংগ শ্ৰেণীৰ লোকক সকলো প্ৰকাৰৰ উৎপীড়ন আৰু শোষণ কৰে। এনে পৰিস্থিতিত কৃষ্ণাংগসকল বিদ্ৰোহী হৈ সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়।

(৯) চোৰাং কাৰবাৰ, ড্ৰাগছ ব্যৱসায়, এঠাইৰ পৰা আন ঠাইলৈ অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ আদিৰ ক্ষেত্ৰত চৰকাৰৰ পৰা বাধাগ্ৰস্ত হৈ একাংশ লোকে চোৰাং ব্যৱসায় কৰাৰ কাৰণেও বিশ্ব সন্ত্ৰাসবাদৰ বিকাশ হৈছে।

(১০) বিশ্ব সন্ত্ৰাসবাদৰ আন এটা কাৰণ হ'ল সাম্প্ৰদায়িকতাবাদ। বিশ্বৰ বিভিন্ন দেশত বিভিন্ন সম্প্ৰদায়ৰ লোক বাস কৰে। কিন্তু এই সম্প্ৰদায়ৰ লোকৰ মাজত সদ্ভাৱ নথকাৰ কাৰণে তেওঁলোকৰ মাজতো সন্ত্ৰাসবাদী সংগঠনে গা কৰি উঠে। বিশেষকৈ যিবিলাক দেশত হিন্দু, খ্ৰীষ্টান, ইছলাম ধৰ্মী লোক অধিক আছে, সেইবিলাক দেশত সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি পায়।

(১১) কিছুমান দেশত সন্ত্ৰাসবাদে গা কৰি উঠাৰ এটা কাৰণ হ'ল ভাবাদৰ্শ। সাধাৰণতে প্ৰত্যেক ৰাজনৈতিক দলৰে ভাবাদৰ্শ থাকে। এনে ভাবাদৰ্শ কাৰ্যকৰী কৰিবলৈকো কিছুমান দলে সন্ত্ৰাসবাদী কাৰ্যত জড়িত হৈ পৰে। উদাহৰণস্বৰূপে, বিপ্লৱী কমিউনিষ্ট দলে বন্দুকৰ গুলীত ক্ষমতাৰ সপোন দেখে। গতিকে তেনে দলে সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ ক্ষমতাত অধিষ্ঠিত চৰকাৰক ওফৰাই ক্ষমতা দখলৰ চেষ্টা কৰে।

(১২) কিছুমান লোকে স্বায়ত্ততাৰ দাবী উত্থাপন কৰিও সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হয়। সেইদৰে অনুপাতে আন কিছুমানে বিচ্ছিন্নতাৰ মনোভাৱ গ্ৰহণ কৰিও সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হৈছে।

**সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ ঃ** সন্ত্ৰাসবাদীৰ কাৰ্যৰ ফলত বিশ্বৰ বহুতো দেশৰ নিৰাপত্তাত অনিশ্চয়তা আহি পৰিছে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত থকা বহুতো উগ্ৰপন্থীৰ কাৰ্যকলাপৰ ফলত এই অঞ্চলৰ গুৰুতৰ আইন-শৃংখলা, পৰিস্থিতি বিনষ্ট হৈছে। কাশ্মীৰত যোৱা কেইবাবছৰো একেলেথাৰিয়ে জইছ ই মহম্মদ, লস্কৰ ই তইবা, অলকায়দা আদি উগ্ৰপন্থী সংগঠনবিলাকে সঘনে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰি থকাৰ কাৰণে চৰকাৰী ভৱন, সম্পত্তি ধ্বংস কৰাৰ লগতে সামৰিক বাহিনী, অৰ্ধসামৰিক বাহিনী, পুলিচ বাহিনী লোকৰ উপৰি বহুতো নিৰীহ লোকৰো প্ৰাণ হানি হৈছে। তাৰ স্থায়ী বাসিন্দা কিছুমানেও কাশ্মীৰ ত্যাগ কৰি ভাৰতৰ আন ৰাজ্যত থাকিবলৈ বাধ্য হৈছে। বিশেষকৈ সীমান্তৰ সিপাৰত হোৱা পাকিস্তান প্ৰৰোচিত সন্ত্ৰাসবাদীৰ কাৰ্যকলাপৰ ফলতে কাশ্মীৰৰ পৰিস্থিতি অগ্নিগৰ্ভা হৈ আছে।

বিভিন্ন ঠাইত ঘটি থকা ওচামা বিন লাডেন নেতৃত্বাধীন উগ্ৰপন্থী সংগঠন বিশ্বৰ অল কায়দাৰ কাৰ্যকলাপে গোটেই বিশ্বতে আতংকৰ সৃষ্টি কৰিছে। এই সংগঠনটোৰ উদ্যোগত

Scanned with CamScanner

২০০১ চনৰ ১১ ছেপ্টেম্বৰ তাৰিখে আমেৰিকাৰ বিশ্ব বাণিজ্য কেন্দ্ৰৰ ভৱন আৰু সামৰিক বাহিনীৰ মুখ্য কাৰ্যালয়ত বিমান আক্ৰমণ কৰি ধ্বংস কৰাৰ লগতে হেজাৰ হেজাৰ মানুহৰ প্ৰাণনাশ কৰিছিল। এই সংগঠনটোৰ উদ্যোগতে ২০০৪ চনৰ মাৰ্চ মাহত স্পেইনৰ মাদ্ৰিদত কেইবাখনো চলন্ত ৰে'লগাড়ীত বোমা বিস্ফোৰণ ঘটোৱাত বহুতো লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন বহুতো লোক আঘাতপ্ৰাপ্ত হৈছিল।

অল কায়দাই বিশ্ব বাণিজ্য কেন্দ্ৰ ধ্বংসৰ কাৰণেই আমেৰিকাই আফগানিস্থান আক্ৰমণ কৰি সন্ত্ৰাসবাদী ঘাটি উচ্ছেদ কৰিবলৈ চেষ্টা কৰিছিল।

শ্ৰীলংকাৰ উগ্ৰপন্থী সংগঠন এল টি টি ই (LTTE)য়ে যোৱা দুই দশকতকৈ অধিক কাল তামিলসকলৰ কাৰণে এখন পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰি চৰকাৰ বিৰোধী সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ বহুতো ৰাজনৈতিক নেতাক হত্যা কৰাৰ লগতে সামৰিক বাহিনীৰ লগতো সংঘৰ্ষত লিপ্ত হৈছে। ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীও এই উগ্ৰপন্থী সংগঠনৰ আক্ৰমণৰ বলি হ'ব লগা হৈছিল।

নেপালৰ মাওবাদী উগ্ৰপন্থী সংগঠনেও যোৱা কেইবছৰত চৰকাৰ বিৰোধী কাৰ্যত লিপ্ত হৈ নেপালৰ বহুতো সামৰিক, অৰ্ধসামৰিক বাহিনী আৰু পুলিচ বাহিনীৰ লোকক হত্যা কৰাৰ লগতে আন বহুতো লোকক হত্যা-অপহৰণো কৰিছে আৰু চৰকাৰী সা-সম্পত্তিৰো বিস্তৰ ক্ষতিসাধন কৰিছে। এই সংগঠনটোৰ কাৰ্যকলাপ নেপালত এতিয়াও সক্ৰিয় হৈ আছে।

ছোভিয়েট ৰাছিয়াত চেচান বিদ্ৰোহীসকলৰ চলন্ত ৰে'লত অগ্নিসংযোগ, আমোদ-প্ৰমোদ গৃহত বোমা বিস্ফোৰণ, চৰকাৰী ভৱনত বোমা বিস্ফোৰণ আদি কাৰ্যৰ ফলত ৰাষ্ট্ৰখনৰ আইন শৃংখলাৰ গুৰুতৰ পৰিস্থিতিৰ লগতে ইয়াৰ নিৰাপত্তাও অনিশ্চিত হৈ পৰিছে।

ইৰাকত ছাদ্দাম বাহিনীক পৰাস্ত কৰি আমেৰিকাই ইৰাক দখল কৰাৰ পিছতো ইৰাক এতিয়াও শান্ত হোৱা নাই। বিভিন্ন উগ্ৰপন্থী সংগঠনৰ আক্ৰমণ এতিয়াও ইৰাকৰ বিভিন্ন ঠাইত সংঘটিত হৈ থকাৰ কাৰণে ইয়াত আন এখন যুদ্ধৰ সম্ভাৱনাও প্ৰবল হৈ পৰিছে। সেইদৰে ইজৰাইল আৰু পেলেষ্টাইনতো সঘনে হৈ থকা আত্মঘাতী উগ্ৰপন্থী আক্ৰমণৰ কাৰণে দেশ দুখনৰ নিৰাপত্তা বিঘ্নিত হোৱাৰ লগতে জনসাধাৰণৰ জীৱনো বিপন্ন হৈছে। এটা সময়ত ইৰাণৰ মৌলবাদী সংগঠন হিজ বল্লাই ইৰাণত পশ্চিমীয়া সংস্কৃতি প্ৰচাৰৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে গোড়া মৌলবাদী নেতা আয়াতোল্লা খেমানীক শাসনত অধিষ্ঠিত কৰোৱাত সফল হৈছিল। সেইদৰে জাপানৰ উগ্ৰপন্থী সংগঠন ৰেড আৰ্মি (Red Army), আয়াৰলেণ্ডৰ আইৰিচ ৰিপাব্লিকান আৰ্মি (Irish Republican Army)-ৰ সন্ত্ৰাসমূলক কাৰ্যইও এসময়ত জাপান আৰু বৃটেইন আদি দেশত আতংকৰ সৃষ্টি কৰিছিল।

সন্ত্ৰাসবাদ বৰ্তমান কোনো এখন দেশৰে সমস্যা নহয়। ই এটা গোটেই বিশ্বৰে সমস্যা। কিছুমান দেশে এই সমস্যাটোক বিশ্বৰ এক ভয়াৱহ সমস্যা হিচাপে গুৰুত্ব দি ইয়াক সকলো দেশৰ সহযোগত সমাধানৰ পোষকতা কৰিলেও আন কিছুমানে এই সমস্যা নিৰ্মূল কৰাত সহযোগ কৰাৰ পৰিবৰ্তে উগ্ৰপন্থীসকলক সকলো প্ৰকাৰে উৎসাহিত কৰা দেখা গৈছে। ভাৰতে বিশ্বৰ সকলো দেশকে উগ্ৰপন্থী সমস্যা সমাধান কৰাত সহযোগ কৰিবলৈ আহ্বান জনালেও

Scanned with CamScanner

ওচৰ-চুবুৰীয়া দেশ পাকিস্তানে কিছুমান উগ্ৰপন্থী সংগঠনক সকলো প্ৰকাৰে উৎসাহিত কৰি কাশ্মীৰত উগ্ৰপন্থী কাৰ্যকলাপ চলাই থাকিবলৈ প্ৰৰোচিত কৰি আছে। আমেৰিকাই কিছুমান ঠাইত উগ্ৰপন্থীৰ কাৰ্যকলাপ নিৰ্মূল কৰিবলৈ যুদ্ধ আদি সংঘটিত কৰিলেও আন কিছুমান অঞ্চলৰ ক্ষেত্ৰত এই সন্দৰ্ভত দুমুখীয়া নীতি গ্ৰহণ কৰা দেখা গৈছে। আমেৰিকাই ভাৰতত কাশ্মীৰৰ উগ্ৰপন্থীৰ কাৰ্যকলাপৰ দমনৰ ক্ষেত্ৰত দুমুখীয়া নীতি গ্ৰহণ কৰিছে। বিভিন্ন সংগঠনৰ কাৰ্যকলাপ এতিয়া বিশ্ববাসীৰ কাৰণে ছায়া যুদ্ধ হৈ পৰিছে। এনে পৰিস্থিতিত বিশ্বৰ সকলো দেশে এই যুদ্ধৰ সন্মুখীন হ'বলৈ আগবাঢ়ি অহা উচিত। ইয়াৰ অন্যথা ৰাষ্ট্ৰবিলাকৰ ঐক্য আৰু নিৰাপত্তা বিঘ্নিত হোৱাৰ লগত ৰাজনৈতিক প্ৰগতিও বাধাগ্ৰস্ত হ'ব।

Scanned with CamScanner